# ফেডাৰেল ৰিপাব্লিক অফ নাইজেৰিয়াৰ ৰাষ্ট্ৰপতিৰ সৈতে প্ৰধানমন্ত্ৰীৰ বৈঠক

ছেপ্টেম্বৰ 10, 2023

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে 10 ছেপ্টেম্বৰ 2023 ত নতুন দিল্লীত অনুষ্ঠিত হোৱা G20 শীৰ্ষ সন্মিলনৰ আঁৰত ফেডাৰেল ৰিপাব্লিক অফ নাইজেৰিয়াৰ ৰাষ্ট্ৰপতি মহামহিম শ্ৰীযুত ব'লা আহমেদ টিনুবুক সাক্ষাৎ কৰে।

ৰাষ্ট্ৰপতি টিনুবুৱে ভাৰতৰ G20 অধ্যক্ষতাৰ সফলতাত প্ৰধানমন্ত্ৰীক অভিনন্দন জনায়। তেওঁ লগতে G20 ত আফ্ৰিকান ইউনিয়নৰ স্থায়ী সদস্যপদ নিশ্চিত কৰাৰ বাবে আৰু গ্ল'বেল চাউথৰ স্বাৰ্থক প্ৰসাৰিত কৰাৰ বাবেও প্ৰধানমন্ত্ৰীক ধন্যবাদ জনায়।

দুয়োগৰাকী নেতাই বাণিজ্য আৰু বিনিয়োগ, প্ৰতিৰক্ষা, কৃষি, বজৰা, বিত্তীয় প্ৰযুক্তি আৰু সামৰ্থ্য বিকাশকে ধৰি ব্যাপক দ্বিপাক্ষিক সহযোগৰ বিভিন্ন ক্ষেত্ৰত উৎপাদনশীল আলোচনাত মিলিত হয়।

**নতুন দিল্লী**
**ছেপ্টেম্বৰ 10, 2023**